**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-04-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে জনসাধাৰণে মোদী চৰকাৰৰ ১০ বছ্ৰ আৰু কংগ্ৰেছ শাসনৰ ৬০ বছ্ৰৰ প্ৰভেদ প্ৰত্যক্ষ কৰিছে।

২। বিজেপিয়ে ৪০০ খনতকৈ অধিক আসন লাভ কৰিলে সংৰক্ষণ ব্যৱস্থাৰ অৱসান ঘটাব বুলি কংগ্ৰেছে ভুৱা প্ৰচাৰ চলোৱা বুলি বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অভিযোগ তুলিছে।

৩। ভাৰতে The Washington Post নামৰ বাতৰি কাকতখনত খালিস্তানী সন্ত্ৰাসবাদী গুৰপট্ৱন্ত সিং পন্নুক হত্যাৰ ষড়যন্ত্ৰ ৰচা বুলি ওলোৱা বাতৰি অস্বীকাৰ কৰিছে।

৪। ছত্তিশগড়ৰ বাস্তাৰ সংমণ্ডলত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত ৭টা মাওবাদী নিহত হৈছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে জনসাধাৰণে মোদী চৰকাৰৰ ১০ বছ্ৰ আৰু কংগ্ৰেছ্ শাসনৰ ৬০ বছ্ৰৰ প্ৰভেদ প্ৰত্যক্ষ কৰিছে। মহাৰাষ্ট্ৰৰ মাঢাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি শ্ৰী মোদীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে কংগ্ৰেছৰ শাসনকালত প্ৰধানমন্ত্ৰীয়ে 'গৰীৱি হতায়েংগে' ধ্বনি আওৱাইছিল যদিও একো কৰা নাছিল কিন্তু এন ডি এ চৰকাৰে বিগত দহ বছৰত ২৫ কোটি জনসাধাৰণক দৰিদ্ৰতাৰ পৰা মুক্ত কৰিছে।

শ্ৰী মোদীয়ে কয় যে ২০১৪ চনত প্ৰায় ১০০ টা জলসিঞ্চন প্ৰকল্পৰ দশক দশক ধৰি স্থবিৰ হৈ আছিল আৰু এন ডি এ চৰকাৰে ইয়াৰে ৬৩ টা প্ৰকল্প ইতিমধ্যে ৰূপায়ণ কৰিছে। এন চি পি এছ পিৰ মুৰব্বী শাৰদ পাৱাৰৰ সমালোচনা কৰি শ্ৰী মোদীয়ে কয় যে শ্ৰী পাৱাৰ কেন্দ্ৰত কৃষি মন্ত্ৰী হৈ থকাৰ সময়ত কুঁহিয়াৰৰ উচিত আৰু লাভজনক মূল্য ২০০ টকা আছিল কিন্তু এন ডি এ চৰকাৰৰ ১০ বছ্ৰৰ শাসনকালত এই মূল্য প্ৰতি কুইণ্টলত ৩৪০ টকালৈ বৃদ্ধি কৰা হৈছে। শ্ৰী মোদীয়ে আজি ওচমানাবাদ আৰু লাটুৰতো নিৰ্বাচনী সভা সম্বোধন কৰাৰ কথা আছে।

0000000

বিজেপিয়ে ৪০০ খনতকৈ অধিক আসন লাভ কৰিলে সংৰক্ষণ ব্যৱস্থাৰ অৱসান ঘটাব বুলি কংগ্ৰেছে ভুৱা প্ৰচাৰ চলোৱা বুলি বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অভিযোগ তুলিছে। গুৱাহাটীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে অভিযোগ কৰে। শ্ৰী শ্বাহে কয় যে এই দাবী সঁচাকৈ ভিত্তিহীন। তেওঁ কয় যে বিজেপিয়ে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষণৰ পোষকতা কৰে। বিজেপিয়ে সমগ্ৰ দেশত ভাল সঁহাৰি লাভ কৰা বুলিও নেতাগৰাকীয়ে দাবী কৰে।

কৰ্ণাটকৰ হাছান সংসদীয় সমষ্টিৰ প্ৰাৰ্থী প্ৰজ্বল ৰেৱান্নাৰ অশালীন ভিডিঅ’ সম্পৰ্কীয় অভিযোগ সন্দৰ্ভত বিজেপিৰ স্থিতি স্পষ্ট বুলি উল্লেখ কৰি শ্ৰী শ্বাহে কয় যে তেওঁৰ দলে মহিলাৰ বিৰুদ্ধে যিকোনো অপৰাধ সহ্য নকৰে আৰু বিষয়টো সন্দৰ্ভত আৰক্ষীৰ তদন্তৰ সমৰ্থন কৰে। মহিলাৰ বিৰুদ্ধে এনেধৰণৰ অপৰাধৰ সৈতে জড়িত ব্যক্তিক কঠোৰ শাস্তি বিহিব লাগে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

OOOOOOO

কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহৰ ভুৱা ভিডিঅ’ প্ৰচাৰৰ সন্দৰ্ভত দিল্লী আৰক্ষীয়ে জাননী জাৰি কৰিছে।

দিল্লী আৰক্ষী কালি প্ৰদেশ কংগ্ৰেছৰ কাৰ্যালয়, গান্ধী ভৱনলৈ গৈ আইনী কোষৰ অধ্যক্ষ ৰামচন্দ্ৰ ৰেড্ডীক জাননী জাৰি কৰে। নতুন দিল্লী আৰক্ষীৰ উপ-আয়ুক্তৰ কাৰ্যালয়ৰ দুগৰাকী বিষয়াই প্ৰদেশ কংগ্ৰেছৰ সামাজিক মাধ্যমৰ আহ্বায়ক মান্নে সতীশ, দলৰ মুখপাত্ৰ আছমা তাছলীম, সম্পাদক শিৱকুমাৰ আম্বালা আৰু আন এজন নেতা নবীনলৈ জাননী জাৰি কৰে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডীয়ে কৈছে যে সামাজিক মাধ্যমত প্ৰচাৰিত শ্ৰী শ্বাহৰ ভিডিঅ’ৰ সৈতে জড়িত তদন্তক লৈ দিল্লী আৰক্ষীয়ে জাননী জাৰি কৰাক লৈ তেওঁ ভয় নকৰে। বিজেপিয়ে ৰাজনৈতিক লাভালাভৰ বাবে বিধি বলৱৎকাৰী সঞ্চালকালয়, কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা, দিল্লী আৰক্ষী আদিৰ দৰে সংস্থাক ব্যৱহাৰ কৰিছে বুলি ৰেড্ডীয়ে দাবী কৰিছে।

OOOOOOO

ৰাষ্ট্ৰীয় মহিলা আয়োগে জে ডি এছৰ নেতা প্ৰজ্বল ৰেৱান্নাৰ সৈতে জড়িত যৌন আতিশয্যৰ ঘটনাৰ অভিযোগ সন্দৰ্ভত কৰ্ণাটকৰ আৰক্ষী সঞ্চালকপ্ৰধানক তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষ ৰেখা শৰ্মাই কৰ্ণাটকৰ আৰক্ষী সঞ্চালকপ্ৰধানলৈ পত্ৰ লিখি অভিযুক্তজনক আটক কৰিবলৈ কৈছে। তেওঁ লগতে তিনিদিনৰ ভিতৰত ঘটনাটো সন্দৰ্ভত সবিশেষ প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে। ঘটনাটোক গৰিহণা জনাই শ্ৰীমতী শৰ্মাই কয় যে এনেধৰণৰ ঘটনাই মহিলাৰ সুৰক্ষাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনে আৰু হিংসাৰ সংস্কৃতি বিয়পোৱাত সহায় কৰে।

OOOOOOO

ভাৰতে The Washington Post নামৰ বাতৰি কাকতখনত খালিস্তানী সন্ত্ৰাসবাদী গুৰপট্‌ৱন্ত সিং পন্নুক হত্যাৰ ষড়যন্ত্ৰ ৰচা বুলি ওলোৱা বাতৰি অস্বীকাৰ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কাকতখনত ওলোৱা বাতৰি সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰ দি বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰন্ধিৰ জয়ছোৱালে ইয়াক গুৰুতৰ বিষয় সন্দৰ্ভত অবাঞ্চিত আৰু ভিত্তিহীন অভিযোগ বুলি মন্তব্য কৰে। তেওঁ কয় যে সংগঠিত অপৰাধ আৰু সন্ত্ৰাসবাদ নেটৱৰ্ক সন্দৰ্ভত আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰকাশ কৰা সুৰক্ষা উদ্বেগৰ বিষয়টো চালি-জাৰি চোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰে গঠন কৰা উচ্চ পৰ্যায়ৰ কমিটীৰ তদন্ত অব্যাহত আছে। কল্পনাপ্ৰসূত আৰু দায়িত্বহীন মন্তব্যৰ কোনো যুক্তি নাই বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে।

OOOOOOO

ছত্তিশগড়ৰ বাষ্টাৰ সংমণ্ডলত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত ৭টা মাওবাদী নিহত হোৱাৰ খবৰ পোৱা গৈছে। প্ৰাপ্ত তথ্য অনুসৰি নাৰায়ণপুৰ জিলাৰ আবুঝমাদ বনাঞ্চলত মাওবাদীৰ উপস্থিতিৰ বিষয়ে চোৰাংচোৱাই আনি দিয়া খবৰৰ ভিত্তিত জিলা সংৰক্ষিত বাহিনী আৰু বিশেষ কাৰ্য বাহিনীয়ে যৌথ অভিযান চলাইছিল বনাঞ্চলটোত নিৰাপত্তা বাহিনী আৰু মাওবাদীৰ মাজত গুলীয়াগুলি চলি আছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

বিহাৰৰ ভাগলপুৰ জিলাৰ ঘোঘা আৰক্ষী চকীৰ অন্তৰ্গত আমাপুৰ গাঁৱত সংঘটিত পথ দুৰ্ঘটনাত দুটি শিশুসহ দুজন লোকে প্ৰাণ হেৰুৱাইছে। ভাগলপুৰ জিলাৰ জিলা দণ্ডাধীশ ড° নৱল কিশোৰ চৌধুৰীয়ে জানিবলৈ দিয়া মেত, যোৱানিশা ৮০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এখন মালবাহী গাড়ী নিয়ন্ত্ৰণ হেৰুৱাই বিয়াৰ গাড়ীৰ ওপৰত পৰি যোৱাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। আৰক্ষী সূত্ৰৰ পৰা পোৱা তথ্য অনুসৰি মৃত লোককেইজন বিবাহ অনুষ্ঠানত ভাগ ল'বলৈ গৈছিল।

০০০০০০০

এডমিৰেল দীনেশ কুমাৰ ত্ৰিপাঠীয়ে আজি নৌসেনাৰ মুৰববী হিচাপে দায়িত্ব গ্ৰহণ কৰে। তেওঁ এডমিৰেল আৰ হৰি কুমাৰৰ স্থলাভিষিক্ত হৈছে। দায়িত্ব গ্ৰহণ কৰাৰ পাছত নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এডমিৰেল ত্ৰিপাঠীয়ে কয় যে ভাৰতীয় নৌসেনাই সমুদ্ৰ পথেৰে হ'ব পৰা সম্ভাব্য যুদ্ধৰ বাবে সকলো সময়তে সাজু হৈ থকা উচিত। মুৰববীগৰাকীয়ে কয় যে তেওঁ নতুন প্ৰযুক্তিৰ ব্যৱহাৰ আৰু ৰাষ্ট্ৰৰ উন্নয়নৰ গুৰুত্বপূৰ্ণ স্তম্ভ হৈ ভাৰতীয় নৌসেনাৰ আত্মনিৰ্ভৰশীলতাৰ প্ৰচেষ্টা শক্তিশালী কৰি তুলিব। শ্ৰী ত্ৰিপাঠীয়ে পশ্চিম নৌসেনাৰ 'ফ্লেগ অফিচাৰ কমাণ্ডিং ইন চীফ হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি নৌসেনাৰ যুদ্ধজাহাজত ছিগনেল অফিচাৰ, যোগাযোগ আৰু ইলেক্ট্ৰিক যুদ্ধ বিশেষজ্ঞ হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ ভাৰতীয় নৌসেনাৰ জাহাজ 'বিনাছ', 'কিৰ্চ' আৰু 'ত্ৰিশূল'ৰ কমাণ্ডাৰ আছিল। কৰ্তব্যৰ প্ৰতি থকা নিষ্ঠাৰ বাবে তেওঁ ইতিমধ্যে 'বিশিষ্ট সেৱা পদক' আৰু 'নৌসেনা পদক' লাভ কৰিছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠাই বিশেষে পৰৱৰ্তী ৫ দিনত বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগে লগতে তেলেংগানা, কৰ্ণাটক, অন্ধ্ৰ প্ৰদেশ আৰু পুডুচেৰীত অহা ৫ দিনলৈকে গ্ৰীষ্ম প্ৰৱাহ অব্যাহত থাকিব পাৰে বুলি প্ৰকাশ কৰিছে। পশ্চিমবংগ, ছিকিম আৰু গুজৰাটতো কাইলৈ পৰ্যন্ত গ্ৰীষ্ম প্ৰৱাহৰ প্ৰকোপ অব্যাহত থাকিব বুলি বিভাগটোৱে সকিয়াই দিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ  মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। ইপিনে, কলকাতা নাইট ৰাইডাৰ্ছে যোৱানিশা কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত এখন খেলত দেলহী কেপিটেলছক ৭ উইকেটত পৰাস্ত কৰে। দেলহী কেপিটেলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অ'ভাৰত ৯টা উইকেট হেৰুৱাই ১৫৩ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত কলকাতা নাইট ৰাইডাৰ্ছে ১৬ অ'ভাৰ আৰু ৩টা বলত ৩টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়।

০০০০৩০০

ভাৰত আৰু বাংলাদেশৰ মহিলা ক্ৰিকেট দলৰ মাজৰ ৫ খনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন খেল আজি চিলেটত অনুষ্ঠিত হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। ভাৰত দেওবাৰে একেটা স্থানত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দল বাংলাদেশক ৪৪ ৰানত পৰাস্ত কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে।

০০০০০০০

**সমাপ্ত**